# পাঠ - ১৪ টকা আৰু পইচা

## কমল আৰু ককাদেউতা



কমলৰ জন্ম দিনত ককাদেউতাকে তাক এখন চাইকেল উপহাৰ দিলে। সেইখন পাই তাৰ মনত বৰ আনন্দ লাগিল। ইয়াৰ কিছুদিনৰ পাছত এদিন কমল ককাদেউতাকৰ লগত কিতাপৰ মেলালৈ গ'ল। সি লক্ষ্য কৰিলে যে ককাদেউতাকে এখন কিতাপ বৰ মনযোগেৰে চাই আছে। কিতাপখনৰ নাম আছিল *কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা*। ঘৰলৈ উভতি অহাৰ পিছত কমলে ভাবিলে যে ককাদেউতাকৰ নিশ্চয় সেই কিতাপখন ভাল লাগিছিল। সি তাৰ নিজৰ টকা-পইচা জমা কৰা বাকচটোৰ তলাটো খুলি দেখিলে যে তাত বহুতো টকা-পইচা জমা হৈছে। সেই পইচাখিনি সি দেউতাকক দি কিতাপৰ মেলাৰ গোটেই কথাখিনি বুজাই ক'লে আৰু কিতাপখন কিনি আনিবলৈ অনুৰোধ জনালে। কিতাপখন দেউতাকে কিনি অনাৰ পাছত সি সেইখন ককাদেউতাকক উপহাৰ দিলে।








**কমলে জমা টকাৰ বাকচটোৰ তলাখুলি কিমান টকা পালে চাওঁ আহা**

 = ৩০ টকা

 = ৫০ টকা

 = ২০ টকা

 = ৫০ টকা

 = ২৫০ টকা

মুঠতে = ৪০০ টকা

## প্ৰচলিত মুদ্ৰা আৰু নোট চাই মূল্য লিখা



১ টকা



২ টকা




৫ টকা



১০টকা



..........টকা



..........টকা



..........টকা



..........টকা



২০০টকা



..........টকা



..........টকা

## বেচা-কিনা খেল খেলোঁ আহা

***শিক্ষকলৈ নিৰ্দেশনা ঃ***

- ছাত্ৰ-ছাত্ৰী দুটা দলত ভাগ হ'ব।
- প্ৰথম দল দোকানী হ'ব। তেওঁলোকে প্ৰতিটো বস্তুৰ মূল্য লিখি দোকানত সজাই থ'ব।
- দ্বিতীয় দলৰ ছাত্ৰ-ছাত্ৰীয়ে কিনিবলৈ যাব। লিখি থোৱা দাম অনুযায়ী তেওঁলোকে মুদ্ৰা বা নোট (পুতলা টকা) দি বস্তু কিনিব।



**বস্তু অনুযায়ী পুতলা টকাৰ মূল্যবোৰ চাওঁ আৰু কাষৰ ঘৰত লিখোঁ আহা**



পেঞ্চিল বাকচ এটাৰ দাম



১০ টকা　১০ টকা　৫ টকা　= ………… টকা



পুতলা গাড়ী এখনৰ দাম




২০ টকা　২০ টকা　১০ টকা　১০ টকা　= ………… টকা




বল এটাৰ দাম



১০ টকা　৫ টকা　২ টকা　২ টকা　২ টকা　= ………… টকা




লুডু এখনৰ দাম




৫০ টকা　২০ টকা　১০ টকা　৫ টকা　৫ টকা　= ………… টকা

***শিক্ষকলৈ নির্দেশনা ঃ** বেচা-কিনা খেলৰ জৰিয়তে পুতলা টকা আৰু মুদ্ৰাৰ সহায়ত ছাত্ৰ-ছাত্ৰীক বস্তুৰ মূল্যৰ হিচাপ কৰিবলৈ সুযোগ দিব।*


**বস্তুৰ মূল্য হিচাপ কৰি লিখোঁ আহা**



এডাল  ৰ দাম =  = ৫ ...... টকা

চাৰিটা  ৰ দাম =  = ............ টকা


এটা  ৰ দাম =  = ............ টকা

এডাল  ৰ দাম =  = ............ টকা

এটা  ৰ দাম =  = ............ টকা

এটা  ৰ দাম =  = ............ টকা

এটা  ৰ দাম =  = ............ টকা

এটা  ৰ দাম =  ............ টকা

## কিমান টকা খৰচ হ'ল আৰু কিমান থাকিল চাওঁ আহা

- তগৰ ২০ টকা লৈ বজাৰলৈ গ'ল আৰু তলত দিয়া বস্তু কেইবিধ কিনিলে। তেওঁৰ মুঠ খৰচ কিমান হ'ল আৰু কিমান টকা হাতত থাকিল?

| বস্তু | দাম |
|---|---|
| কলম এটা | ৭ টকা |
| ৰবৰ এডাল | + ৩ টকা |
| **মুঠ খৰচ** | ১০ টকা |

হাতত আছিল = ২০ টকা
খৰচ হ'ল = ১০ টকা
হাতত থাকিল = ১০ টকা

- ৰমলা ৫০ টকা লৈ দোকানলৈ গ'ল। তাৰে ২০ টকাৰ ৰঙীন পেঞ্চিলৰ পেকেট এটা আৰু ২০ টকাৰ আইচক্ৰীম কিনিলে। তেওঁৰ মুঠতে কিমান টকা খৰচ হ'ল আৰু কিমান টকা হাতত থাকিল?

| বস্তু | দাম |
|---|---|
| ৰঙীন পেঞ্চিলৰ পেকেট | ২০ টকা |
| আইচক্ৰীম | + ২০ টকা |
| মুঠ খৰচ | .......... টকা |

হাতত আছিল = ______ টকা
খৰচ হ'ল = ______ টকা
হাতত থাকিল = ______ টকা

### নিজে কৰা

- নাহৰ ৮০ টকা লৈ বজাৰলৈ গৈছিল। তেওঁ ৪০ টকাৰ পিঁয়াজ আৰু ৩৫ টকাৰ বিলাহী কিনিলে। তেওঁৰ মুঠতে কিমান টকা খৰচ হ'ল আৰু কিমান টকা হাতত থাকিল?

| বস্তু | দাম |
|---|---|
| | |
| | |

........................ = ______
........................ = ______
........................ = ______

**জানি লওঁ আহা**

বস্তু বেচা-কিনাৰ কাৰণে টকা-পইচাৰ দৰকাৰ হয়। টকাৰ মূল্য লিখাৰ বাবে '₹' চিহ্নটো ব্যৱহাৰ কৰা হয়। সেয়ে ১০ টকা লিখিবলৈ '₹' ১০ লিখিব লাগে।


তলৰ তালিকাখন সম্পূৰ্ণ কৰা

| টকাৰ পৰিমাণ আখৰত | টকাৰ পৰিমাণ সংখ্যাত |
|---|---|
| পাঁচ টকা সত্তৰ পইচা | ৫ টকা ৭০ পইচা |
| আঠ টকা পঁচিছ পইচা | ৮ টকা ২৫ পইচা |
| দুই টকা ত্ৰিছ পইচা | .................................. |
| বিশ টকা পঞ্চাছ পইচা | .................................. |

**বিদ্যালয়ত এদিন**

মৰমীহঁতৰ বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ বিদায় সভাৰ বাবে সকলো ছাত্ৰ-ছাত্ৰীকে ১০ টকাকৈ আনিবলৈ কোৱা হ'ল। প্ৰায় ভাগ ছাত্ৰ-ছাত্ৰীয়ে ১০ টকাৰ নোট আনিছিল। কিন্তু নাজিমা, ৰংহান আৰু যোচেফে বিভিন্ন নোট আৰু মুদ্ৰা মিলাই ১০ টকাকৈ দিছিল।

নাজিমাই দিলে এটা ১ টকাৰ মুদ্ৰা, দুটা ২ টকাৰ মুদ্ৰা আৰু এখন ৫ টকাৰ নোট অৰ্থাৎ



= ১০ টকা

ৰংহানে দিলে চাৰিটা ১ টকাৰ মুদ্ৰা, তিনিটা ২ টকাৰ মুদ্ৰা অৰ্থাৎ



= ১০ টকা

যোচেফে দিলে এখন ৫ টকাৰ নোট আৰু এটা ৫ টকাৰ মুদ্ৰা অৰ্থাৎ



= ১০ টকা

**চিন্তা কৰা আৰু লিখা**

কি কি মুদ্ৰা আৰু নোট লগলগাই ১০ টকা হ'ব। ................................................

কি কি মুদ্ৰা বা নোট লগলগাই ২০ টকা হ'ব। ................................................

কি কি মুদ্ৰা বা নোট লগলগাই ৫০ টকা হ'ব। ................................................

কি কি মুদ্ৰা বা নোট লগলগাই ১০০ টকা হ'ব। ................................................

**বজাৰলৈ যাওঁ আহা**

কণ-মইনা আৰু জোনমণি দেউতাকৰ লগত বজাৰলৈ গ'ল। বজাৰত দেউতাকে কিনা বস্তু আৰু দামবোৰ চাওঁ আহাচোন।

| | | |
|---|---|---|
| শ'ল মাছ | - ৪০০ | টকা |
| ৰৌমাছ | - ২০০ | টকা |
| পালেং শাক | - ২০ | টকা |
| বিলাহী | - ৩০ | টকা |
| ধনিয়া পাত | - ১০ | টকা |
| ফুলকবি | - ৩৫ | টকা |
| ঔটেঙা | - ১৬ | টকা |
| নেমুটেঙা | - ১০ | টকা |
| জলকীয়া | - ১০ | টকা |
| পিঁয়াজ | - ২০ | টকা |
| বগৰী | - ১৫ | টকা |
| আলু | - ২০ | টকা |



**কণ-মইনাৰ দেউতাকে ক'ত কিমান খৰচ কৰিলে উলিওৱা**

| | | |
|---|---|---|
| শ'ল মাছ - | ৪০০ | টকা |
| ৰৌমাছ - | ২০০ | টকা |
| মুঠ খৰচ - | .......... | টকা |

| | | |
|---|---|---|
| ফুলকবি - | .......... | টকা |
| ঔটেঙা - | .......... | টকা |
| মুঠ খৰচ - | .......... | টকা |

| | | |
|---|---|---|
| পালেং - | .......... | টকা |
| ধনিয়া - | .......... | টকা |
| মুঠ খৰচ - | .......... | টকা |

| | | |
|---|---|---|
| নেমু টেঙা - | .......... | টকা |
| জলকীয়া - | .......... | টকা |
| মুঠ খৰচ - | .......... | টকা |

| | | |
|---|---|---|
| বগৰী - | .......... | টকা |
| পিঁয়াজ - | .......... | টকা |
| মুঠ খৰচ - | .......... | টকা |

| | | |
|---|---|---|
| বিলাহী - | .......... | টকা |
| আলু - | .......... | টকা |
| মুঠ খৰচ - | .......... | টকা |

**চেষ্টা কৰা ঃ** দেউতাকে মুঠতে কিমান টকাৰ বজাৰ কৰিলে?

দেউতাকে পাচলি বজাৰৰ পৰা ওলাই দুয়োকে লৈ ইমৰাণৰ দোকানৰ পৰা তলত দিয়া বস্তুবোৰ ল'লে।


বিস্কুট


পাউ-ৰুটী


জ্যাম


দালমুড


চাহপাত

এতিয়া তেওঁ কিনা বস্তুবোৰৰ বাবে ইমৰাণে এখন ক্যাশ্ব্ মেমো দিলে। ক্যাশ্ব্ মেমোখন চাওঁ আহা



| ক্যাশ্ব্ মেমো<br>**ইমৰাণ ষ্ট'ৰ**<br>কৰৈদেগুৰি | | |
|---|---|---|
| **বস্তু** | **বস্তুৰ মূল্য** | |
| | **টকা** | **পইচা** |
| বিস্কুট | ৩০ | |
| পাউ-ৰুটী | ১৫ | |
| জ্যাম | ৬০ | |
| দালমুড | ৪০ | |
| চাহপাত | ৭০ | |
| মুঠ | ২১৫ | |

জোনমণিহঁতৰ দেউতাকে ইমৰাণক মুঠতে কিমান টকা দিলে? ——————টকা

**তলত দিয়া বস্তুবোৰৰ মূল্য চাই ক্যাশ্ব্ মেমো এখন নিজে প্ৰস্তুত কৰা**


*জেলী বটল*
৭০ টকা


*গাখীৰৰ পেকেট*
৬০ টকা


*টুথপেষ্ট*
৫০ টকা


*নিমখৰ পেকেট*
২৫ টকা

| ক্যাশ্ব্ মেমো | | |
|---|---|---|
| **বস্তু** | **বস্তুৰ মূল্য** | |
| | **টকা** | **পইচা** |
| গাখীৰ | | |
| জেলী | | |
| টুথপেষ্ট | | |
| নিমখ | | |
| মুঠ | | |

**যোগ কৰা**

(ক) ১০০ টকা
+ ৮০ টকা
________

(খ) ২৪০ টকা
+ ১৩২ টকা
________

(গ) ৫৯০ টকা
+ ৩৮০ টকা
________

**বিয়োগ কৰা**

(ঘ) ৩০৩ টকা
- ৬২ টকা
________

(ঙ) ৫৫০ টকা
- ৪৪০ টকা
________


(চ) ৯৩০ টকা
- ৭৪০ টকা
________

**সমস্যা সমাধান কৰোঁ আহা**

- মলয়া মাকৰ লগত বজাৰলৈ গৈছিল। তাই ২৪০ টকাৰে এটা ফ্ৰক আৰু ২১০ টকাৰে এযোৰ জোতা কিনিলে। মুঠতে তাই কিমান টকাৰ বস্তু কিনিলে?
- মীনা মাকৰ লগত মেলালৈ গ'ল। মেলাত চকৰিত উঠিবৰ বাবে টিকট ল'লে ২০০ টকাৰ আৰু পুতলা ৰে'লত উঠিবৰ বাবে টিকট ল'লে ৬০ টকাৰ। টিকটৰ বাবে মুঠতে কিমান টকা খৰচ হল?
- ৰমেনে পুহিবৰ বাবে হাটৰ পৰা ৫০০ টকাত দুজনী কুকুৰা কিনি আনিলে। হাটলৈ সি ৭০০ টকা লৈ গৈছিল। ৰমেনৰ হাতত এতিয়া কিমান টকা বাকী থাকিল?
- হৰি ৰতনৰ লগত কিতাপৰ দোকানলৈ গৈ ৭৮ টকাৰ এখন সাধু কথাৰ কিতাপ কিনিব খুজিলে। তাৰ হাতত ৫০ টকাহে আছিল। ৰতনৰ পৰা পইচা ধাৰ কৰি সি কিতাপখন কিনিলে। ৰতনৰ পৰা হৰিয়ে কিমান টকা ধাৰ ল'লে?

এখন অনাথ আশ্ৰমৰ সাহায্যৰ বাবে তৰালি, শেৱালি, ৰূপম আৰু বলেনহঁতৰ ঘৰৰ পৰা তলত দিয়া মতে টকা-পইচা গোটাই আশ্ৰমত দিলে।
কোনঘৰে কিমান টকা-পইচা দিলে চাওঁ আহা

তৰালিহঁতৰ ঘৰে



শেৱালিহঁতৰ ঘৰে



ৰূপমহঁতৰ ঘৰে



বলেনহঁতৰ ঘৰে



আটাইকেইঘৰে মিলি কিমান টকা-পইচা গোটালে চাওঁ আহা

| | |
|---|---|
| তৰালিহঁতৰ ঘৰে | ................ টকা............. পইচা |
| শেৱালিহঁতৰ ঘৰে | ................ টকা............. পইচা |
| ৰূপমহঁতৰ ঘৰে | ................ টকা............. পইচা |
| বলেনহঁতৰ ঘৰে | ................ টকা............. পইচা |
| আটাইকেইঘৰে মিলি গোটোৰা মুঠ টকা | ................ টকা............. পইচা |

জানি লওঁ আহা ঃ ১ টকা = ১০০ পইচা



তলত দিয়া টকাবোৰ কিমান পইচা হ'ব লিখোঁ আহা

| | |
|---|---|
| ৫ টকা = ......৫০০...... পইচা | ১০ টকা = .................... পইচা |
| ৬ টকা = .................... পইচা | ১২ টকা = .................... পইচা |

## যোগ কৰোঁ আহা

(ক) ১০ টকা ৭৫ পইচা
+ ১৮ টকা ২০ পইচা
২৮ টকা ৯৫ পইচা

(খ) ২০ টকা ২৫ পইচা
+ ২৭ টকা ২০ পইচা

(গ) ৩২ টকা ৭৫ পইচা
+ ৪৪ টকা ১০ পইচা

(ঘ) ১০০ টকা ৬০ পইচা
+ ১২৭ টকা ১০ পইচা

(ঙ) ১২০ টকা ২৫ পইচা
+ ১২৭ টকা ১৫ পইচা

(চ) ১৭০ টকা ২৫ পইচা
+ ২২৪ টকা ৩০ পইচা

## বিয়োগ কৰোঁ আহা

(ক) ৭৫ টকা ৭০ পইচা
- ৪২ টকা ৬০ পইচা

(খ) ৫৫ টকা ৭৫ পইচা
- ২৪ টকা ২৫ পইচা

(গ) ৭০ টকা ৭৫ পইচা
- ৪৪ টকা ১০ পইচা

(ঘ) ২৪৪ টকা ৬০ পইচা
- ১২১ টকা ১০ পইচা

(ঙ) ৩৭৫ টকা ২৫ পইচা
-২২৫ টকা ১৫ পইচা

(চ) ৩৭৬ টকা ৩০ পইচা
- ২৪৩ টকা ২৫ পইচা

